ভক্ত-গুহক

[অস্পৃশ্যতা বৰ্জ্জনৰ একঅঙ্কীয়া নাটক]

শ্ৰীললিতশৰ্ম্মা বৰুৱা।

[অমৃতাক্ষৰ ছন্দৰ নাটক 'কামৰূপ জেউতি', কবিতাপুথি 'মন্দাকিনী' আৰু 'জাজ'ৰি' উপন্যাস প্ৰণেতা।]

উত্তৰ লক্ষীমপুৰ,

অসম।

প্ৰথম প্ৰকাশ—
২৯ ভাদ্ৰ, ইং ১৫ চেপ্তেম্বৰ '৬১ ॥

প্ৰকাশক—
শ্ৰীমতি উমাবালা দেৱী
উত্তৰ লক্ষীমপুৰ, অসম ।

মুদ্ৰাকৰ—
শ্ৰীদেবপ্ৰসাদ মিত্ৰ
এলম প্ৰেছ
৬৩, বিডন ষ্ট্ৰীট, কলিকতা—৬

মূল্য—এক টকা মাথোন ।

কিতাপ পোৱাৰ ঠাই—
লয়াৰ্চ বুক ষ্টল, গৌহাটী ।
পুথিঘৰ, উত্তৰ লক্ষীমপুৰ ।
শৰালি পুথিঘৰ, যোৰহাট ।
বাণী মন্দিৰ, ডিব্ৰুগড় ।

উৎসৰ্গা

হাতে লিখা অৱস্থাত থকা কিতাপ বিলাক আগ্ৰহেৰে পঢ়ি যি
জনে মোক সাহিত্য সেৱাৰ প্ৰতি উদগনি দিছিল। ৰঙ্গ-
মঞ্চত অভিনয়ৰ অংশ গ্ৰহণ নকৰিও যি জনে অভিনয়
কৰাৰ দৰেই নাটক শ্ৰুতিমধুৰকৈ পঢ়ে। সেই
পিতৃতুল্য লোক মোৰ অতি হেপাহৰ শ্ৰদ্ধা-
ভাজন সৰগামী শশুৰ ৺**বংশীধৰ বৰ
পুজাৰী** দেৱৰ চৰণত ভক্ত-শুহক
উৎসৰ্গা কৰিলো।

—সেৱক—

ললিত বোপা

২৩।৬।৬১

আগকথা

আজি সমগ্ৰ ভাৰতেত অস্পৃশ্যতা বৰ্জ্জনৰ বাবে চৰকাৰ আৰু ৰাইজ উভয়ে পৰিযত্ন লৈছে। স্কুল সমূহতো বুনিয়াদী শিক্ষাৰ যোগেদি ইয়াৰ দূৰীকৰণৰ ব্যৱস্থা কৰিছে। আমাৰ দেশৰ মানুহে মহাভাৰত ৰামায়ণৰ কথাবিলাক সাধাৰণতে ভাল পায়। মহাভাৰতৰ শ্ৰীকৃষ্ণ, অৰ্জ্জুন, বিদুৰ, যুধিষ্ঠিৰ, ভীষ্ম আদি আৰু ৰামায়ণৰ বিভীষণ, হনুমান, তাৰা, বালি-সুগ্ৰীৱ বিশেষকৈ শ্ৰীৰামচন্দ্ৰ আৰু সীতাৰ দৃষ্টান্ত দিয়ে। আদিম যুগতে যুগৰতাৰ প্ৰভু শ্ৰীৰামচন্দ্ৰই চণ্ডাল গুহকৰ আতিথ্য গ্ৰহণ কৰি সেই ত্ৰেতাযুগতেই অস্পৃশ্যতা বৰ্জ্জনৰ আদৰ্শ মানৱক দি গৈছে। মহামানৱ গান্ধীজীয়েও স্বাধীন ভাৰতক প্ৰতিৰূপ ৰামৰাজ্য হবৰ বাবে—মানস কৰি তুলনা দিছিল।

দুবছৰৰ আগতেই লিখা 'ভক্ত-গুহক' নাটকখনি এক অঙ্কীয়াকৈ প্ৰস্তুত কৰি হাতে লিখা অৱস্থাতে একাধিকবাৰ কৰা হল। বন্ধুবান্ধৱৰ অনুৰোধত ইয়াক এতিয়াহে ছাপাখানালৈ পঠালো। কিতাপখনে ৰাইজৰ আদৰ পালে কৃতাৰ্থ মানিম।

—লিখক—

উত্তৰ লক্ষীমপুৰ,

২৩।৬।৬১

—'ভক্ত-গুহক' প্ৰথম অভিনীত কৰা ভাৱৰীয়াসকল।

ইং ১৮।৬।৬১

—:০:—

গুহক	..	শ্ৰীশৈলেন্দ্ৰ শৰ্ম্মাবৰুৱা।
দশৰথ	..	শ্ৰীদেবেন্দ্ৰ নাথ শৰ্ম্মা।
ৰাম	..	শ্ৰীবলিন্দ্ৰ শৰ্ম্মা।
লক্ষ্মণ	..	শ্ৰীপ্ৰসন্ন শৰ্ম্মা।
সীতা	..	শ্ৰীভবানি গগৈ।
ভৰত	..	শ্ৰীমুকুতা দাস।
সুমন্ত্ৰ	..	চৈয়দ আবু চালেহ
পূজাৰী	..	ডাঃ শশধৰ শৰ্ম্মা।
ৰাম (বালকৰ)	..	শ্ৰীপ্ৰফুল্ল শৰ্ম্মা।
বৈৰাগী	..	আব্দুল হোচেইন।
সুমথিৰা	..	শ্ৰীগোলোকচন্দ্ৰ গগৈ।
গোলাপী	..	শ্ৰীদূৰ্লভ বৰা।
চণ্ডালবিলাক	..	১ম—দূৰ্লভ, নৰেন্দ্ৰ, টঙ্ক আদি।
ৰূপসজ্জাত	..	শ্ৰীকমলচন্দ্ৰ বৰা।
	..	শ্ৰীপ্ৰফুল্লচন্দ্ৰ শৰ্ম্মা।
মঞ্চ সজ্জাত	..	শ্ৰীপদ্মশৰ্ম্মা বৰুৱা।
সঙ্গীত	..	শ্ৰীমনোৰঞ্জন মল্লিক।
পৰিচালনাত	..	নাট্যকাৰ নিজে।

ভক্ত গুহক

[অস্পৃশ্যতা বৰ্জ্জনৰ এক অঙ্কীয়া নাটক]

প্ৰথম দৃশ্য

[আলিবাট]

গুহক—[নিজে নিজে] মই মানবৰ অস্পৃশ্য। মানুহে মোক বোলে গুহক চণ্ডাল। মোক আৰু লগৰীয়া হঁতক, উচ্চ জাতিৰ লোকে ঘৃণা কৰে। আমাক চুলে গা ধোৱে। আমি স্পৰ্শ কৰা বস্তু তেওঁলোকে দলিয়াই দিয়ে। আমাৰ প্ৰবেশত দেৱমন্দিৰ চুৱা হয়, দৰ্শনত দেৱতাও কলুষিত হয়। কাৰণ আমি সমাজৰ হীন জাতি—চণ্ডালৰ ঘৰত আমাৰ জন্ম, চণ্ডাল আমাৰ জাত। আমাৰ ৰীতি নীতি আচাৰ ব্যৱহাৰ আৰু বসতি হীন বাবে ঘৃণনীয় অস্পৃশ্য জাতি বুলি আমাক আঁতৰাই ৰাখিছে—তাৰ বাবে আমি পুৰুষানুক্ৰমে অৱহেলিত হৈ আহিছো—ঘৃণিত নগণ্য প্ৰাণীৰ দৰে। (অলপ বৈ) ই কি জানো ভগবানৰ বিধান। নহয়, কেতিয়াও নহয়, হব নোৱাৰে।

সেই একেজন নিয়ন্তাই একেখন পৃথিবীত সকলোকে দুখন হাত, দুটাভৰি, দুই চকু, দুখন কান, একে নাক আৰু খাবৰ নিমিত্তে সকলোকে এখন মুখ দিছে। আমাৰ দৰে তেওঁলোকও জনম হয় আৰু মৰে। একেই মানৱ অথচ তেওঁলোকে ভাবে তেওঁলোক নিজে উচ্চ জাতি আৰু আমি হীন ঘৃণিত চণ্ডাল তেওঁলোকৰ বাবে অস্পৃশ্য।

ঋষিয়ে কৈ গল, ৰামচন্দ্ৰৰ স্পৰ্শত মোৰ চণ্ডালত্ব মোচন হব—আৰু এই উদ্দেশ্যেই মই আহিছো অযোধ্যালৈ মোৰ আৰাধ্য দেবতা শ্ৰীৰামৰ দৰ্শন হম বুলি।

উঃ মোৰ বৰ পিয়াহ লাগিছে। বাৰু এই দুগৰাকী মাহুহে পানী আনিছে। অলপ পানী খুজি পিয়াহ পলুৱাওঁ।

[একলহ পানী লৈ স্নুমথিৰা]

স্নুমথিৰা—আই ঔ এইটো কি ? হেৰা সৰুছোৱালীৰ মাক। বোলো বেগাই আহাছোঁন। এই তিনি মুনি বাটত অকলে অকলে এইটোৱে কি বলকিছে। চোৱাহিছোন বেগাই আহাঁ।

[কাষত কলহ লৈ গোলাপীৰ প্ৰবেশ]

গোলাপী—ঔ পিতাই এইটো ভূত নে পিশাচ। (স্নুমথিৰাৰ কানে কানে) জৰী গছ জোপাত থকা ডাঙৰীয়াটো অ'। আমাৰ

বকুলীৰ মাকেও এদিন হেনো লগ পাইছিল, কিহে পালে কিহে খালে—ভাল ক্ষণটোতে আহিলো, গাৰ নোমবোৰ জিৰিক জিৰিক কৰিছে। হে প্ৰভু ৰক্ষা কৰা। হে মহামায়া ৰক্ষা কৰা, সবাহ এভাগ সোনকালে কৰিম কৃপা কৰা।

সুমথিৰা—সৰু ছোৱালীৰ মাক। আজি গৈ পাইয়ে টোপোলা এটা বান্ধিবাগৈ। মইও বান্ধিমগৈ। (সৰুকৈ) দেউক মাতি বগা সৰিয়হ দি জৰী এডালো লব লাগিব। নহলে সেই নুমলীৰ মাকৰ তাইৰ লৰাটোৰ দিনত হোৱাৰ দৰে এশিকনি দিব। ব'লা, ব'লা, বেগাই বলা। অ' ৰ'বা-ৰ'বা। (আঠুকাঢ়ি) হেৰা জৰীগছৰ ডাঙৰীয়া। দায় দোষ মৰিষণ কৰা। নাজানি ছুপৰীয়াখন অগাভেটা কৰিলো ঘৰ পাইয়ে ভোগৰ শৰাই এখন আগবঢ়ামগৈ।

[প্ৰণাম কৰে]

গুহক—আই সকল। মই ভূত পিশাচ নহওঁ। আপোনালোকৰ দৰেই মানুহ। বাটৰুৱা মানুহ। ৰদত খোজকাঢ়ি আহি গছৰ ছাঁত বৈছোঁ। বৰ পিয়াহ লাগিছে। অলপ পানী দিয়কছোন খাওঁ।

গোলাপী—অ সুমথিৰা বাইদেউ! ওচৰ চাপি আহাঁ, চলিৰ

খুজিছে। এইটো ঠিক সেই জৰীগছৰ ডাঙৰীয়া জনেই বাইদেউ! হে হৰি কেনৈ আহিছিলো জানো এই দুপৰীয়াখন।

সুমথিৰা—বাৰু এইজনী। কেলেই কঁপিছ অ'। অলপ ধৈৰ্য্য ধৰ।

গুহক—আই সকল। মই জৰীগছৰ ডাঙৰীয়াও নহওঁ—দেৱতাও নহওঁ। একো ভয় নকৰিব। মই বাটৰুৱা মানুহ, গুছি যাম। বাৰু পানী নালাগে।

সুমথিৰা—সৰু ছোৱালীৰ মাক ভয় নকৰিবি। মানুহেই অ', ডাঙৰীয়া নহয়। মোৰ বুকুখন ঠিক আছে অ', দিন দুপৰীয়া এই আলিবাটত দেৱতা নোলায়—ডাঙৰীয়া নহয়। দেখিবলৈহে ক'লা মূলা ভূতৰ চেহেৰা—মানুহেই। বাৰু তই মোৰ ওচৰলৈ আহছোঁন। (ওচৰলৈ মাতি) সৌৱা চা। মানুহ। ছাওঁ আছে। ডাঙৰীয়া বা ভূত হোৱা হলে ছাঁ নপৰে আঁকৰী।

গোলাপী—হয় নে কি বাইদেউ।

সুমথিৰা—বাটৰুৱা কাই। পানী খাওঁ বুলিছা কেনেকৈ খাবা। ঘটি বাতি একো নাই। পাতো নাই কেনেকৈ খাবা?

গুহক—মই হাত দুখনেৰে আজলি পাতি খাম আপুনি মাত্ৰ বাকি দিলেই হব।

সুমথিৰা—পিছে তোমাৰ জাত অৰ্থাৎ বৰণ কি ?

গুহক—নিলগে পানী বাকি দিলেই হব আই। আপোনালোকৰ কলহ বা বাচন একো হাতেৰে নোচোওঁ।

গোলাপী—তেনে জাতটো নকৰ যেতিয়া—তই কৰবাৰ হাবি মানুহ। তোৰ গাৰ বৰণটোৱেই কয়।

গুহক—হয়, মই এজন নীহ কুলৰ মানুহ। আপোনালোকে আমাক চণ্ডাল বোলে।

সুমথিৰা—অ' বাৰুটো। চণ্ডাল হৈ পানী খুজিবলৈ বৰ সাহ! তোক পানী বাকি দিব লাগে। মই নামলগোৱা ঘৰৰ বৰজনী বুলি তই নাজাননে? পানী বাকি দি তোক পানী খুৱাই ঘৰে ঘৰুৱালে পৰাচিত কৰালিহেতেন। কথমপিহে প্ৰভুৱে মোক ৰক্ষা কৰিলে।

গোলাপী—যা যা চণ্ডাল। তোক পানী খাবলৈ দি ৰাইজৰ ওচৰত দণ্ড ভৰিব নোৱাৰো। ব'লা বাইদেউ যাওঁগৈ।

সুমথিৰা—ব'ল যাওঁগৈ সৰুছোৱালীৰ মাক। পিছে ছাঁটো গছকিলো। এই কলহ পানী পেলাই দি—গাটো ধুই আকৌ এজোৰ নিবহি লাগিব।

[প্ৰস্থান]

গুহক—উঃ ভগবান। পিয়াহত মোৰ প্ৰাণ যায়। পানী খাবলৈ যে নিদিলেই—মোৰ ছাঁটো গছকা বাবে পানী কলহও নষ্ট হব লগা হল—মানুহজনীও গা ধুলেহে

শুদ্ধ হয়। কাৰণ মই এওঁলোকৰ অস্পৃশ্য, অপবিত্র চণ্ডাল।

[আন ফালৰ পৰা এজন বৈৰাগীয়ে
গীত গাই গাই প্রবেশ]

—গীত—

হৰি মোৰ কি দিয়া
প্রভু মোৰ কি দিয়া
কি দিয়া পূজিম তোমাক
শ্যাম বিনন্দীয়া।
তুমি অনাদি, তুমি অনন্ত
তুমি ভৱ ভয় হাৰী।
ভকত তাৰণ, করুণাসাগৰ
তুমি ভৱ ভয়হাৰী
তুমি নিখিলধাৰী।
হৰি মোৰ কি দিয়া
প্রভু মোৰ...... ।

গুহক—আপুনি কৰ পৰা আহিছে—বৰাগী। আপোনাৰ ৰাম নাম শুনি বৰ ভাল লাগিছে।

বৰাগী—মই মিথিলাৰ পৰা আহিছোঁ। পৰম্পৰৰ পৰা শুনিলোঁ- কালিলৈ দশৰথ ৰজা গঙ্গাস্নান কৰিবলৈ আহিব—লগত আহিব কোৱঁৰ ৰামচন্দ্ৰ। যি ৰাম নাম গাই সংসাৰ ত্যাগ কৰি বৈৰাগী হৈছো যি ৰাম নামত মহাপাতকীও উদ্ধাৰ হয়, সেই প্ৰভু ৰামৰ দৰ্শন হম বুলি অভিলাষ কৰি আহি আছোঁ, আপুনি কোন ?

গুহক—মোৰ নাম গুহক। মইও প্ৰভু ৰামচন্দ্ৰৰ চৰণ সেৱা কৰিম বুলি অযোধ্যালৈ আহিছো। আপোনাৰ মুখে বাতৰিটি পাই পৰম আনন্দিত হলোঁ। কাৰণ অযোধ্যালৈ নোযোৱাকৈয়ে—প্ৰভু ৰাঘৱক দৰ্শন পোৱা হব। শুভ সম্বাদটি দি কৃতাৰ্থ কৰিলে বৈৰাগী।

বৰাগী—প্ৰভুৰ দৰ্শন পোৱা আপোনাৰেই ভাগ্যৰ ফল মই মহাপাপীয়ে একো কৃতাৰ্থৰ কাম কৰা নাই ডাঙৰীয়া।

গুহক—আপোনাৰ কমণ্ডলুত পানী আছেনে ? মোৰ বৰ পিয়াহ লাগিছে। অলপ পানী দিব নে ?

বৰাগী—হয়, কমণ্ডলুত পানী আছে। এইয়া আপুনি খাওক।

[আগবঢ়াই দিয়ে]

গুহক—মই নীছকুলৰ লোক। আমাক চণ্ডাল বোলে। কমণ্ডলু নিজ হাতে চুই আপোনাৰ এই পাত্ৰটো অপবিত্ৰ নকৰোঁ, বৰাগী।

বৰাগী—এই বৰাগীক যেন তেনে কথা নকয়। সকলোকে এজন ভগবানেই স্রজিছে, এজনে আন জনক ঘিণ কৰা, এজনে আনজনক চুলে—গা ধোৱা, এজনৰ বস্তু আনজনে স্পৰ্শ কৰিলে—পেলনি যোৱা এনেবোৰ কথা আমি ভাল নাপাওঁ। এইবোৰ কথাৰ বাবেই গৃহধৰ্ম্ম এৰি পথে প্ৰবাসে বৈৰাগী হৈ ঘূৰি ফুৰিছো।

একেখন পৃথিবীত একেজন নিয়ন্তাৰ সৃষ্টিত এজন ডাঙৰ—এজন সৰু, এজনৰ ডাঙৰ জাত—এজন হীন অস্পৃশ্য—ভেদাভেদ মিছা কথা। এইয়া মই পানী বাকি দিওঁ—আপুনি আজলি পাতি খাওক।

গুহক—আপুনি মহৎ বৰাগী।

[গুহকে হাত আজলি পাতে। বৰাগীয়ে পানী বাকি দিয়ে—গুহকে খায়]

পট

২য় দৃশ্য

[গঙ্গাৰ পথ]

চিন্তামগ্ন গুহক অকলে

গুহক—অনুচৰে সম্বাদ দি গল—এই দুইদণ্ডৰ ভিতৰতে ৰাজা দশৰথে গঙ্গাস্নান কৰিবহি। লগত আহিব—গুহকৰ আৰাধ্য দেৱতা কোৱঁৰ ৰামচন্দ্ৰ। যাৰ দৰশন আৰু চৰণ স্পৰ্শত গুহকৰ চণ্ডালত্ব মোচন হব। চণ্ডাল মই। কি যে এটা ঘৃণিত জীৱন। ঋষিয়ে কলে,—মই আদিতে চণ্ডাল নহওঁ। সচাঁকথা, নিশ্চয় নহয়। ই মোৰ শাপভ্ৰষ্ট এটি জীৱন। যেই হওক ঋষিৰ আজ্ঞা পালন কৰো। অ' সোঁৱা! অদূৰত ৰথৰ নিচান—সেইয়া ঘোঁৰাৰ শব্দ—সেই ৰথতেই আহিছে মোৰ প্ৰভু ৰামচন্দ্ৰ। আহা প্ৰভু, আহা ৰামচন্দ্ৰ—ৰঘুবৰং কাকুস্থং করুণাময়ং শ্যামলং শান্তমূৰ্ত্তিম্।

[নেপথ্যত :—জয় মহাৰাজ দশৰথৰ জয়।]

জয় কোঁৱৰ ৰামচন্দ্ৰৰ জয়।

(দশৰথৰ প্ৰবেশ)

দশৰথ—কোন তই, বিচাৰিছ কি? আছে নে কি—কিবা প্ৰয়োজন?

গুহক—মহাৰাজ! আপোনাৰ লগত মোৰ প্ৰভু ৰামচন্দ্ৰ

আহিছে। ৰামক দৰ্শন কৰি প্ৰভুৰ চৰণ-সেৱা কৰিম বুলি মই অপেক্ষা কৰিছোঁ, নাম মোৰ গুহক। ৰামচন্দ্ৰক দেখা পালেই মোৰ কৰ্ত্তব্য শেষ হব। অনুগ্ৰহ কৰি মোৰ বাঞ্ছা সিদ্ধি কৰক।

দশৰথ—তয়ে নহয় জানো—

অস্পৃশ্য মানৱ, গুহক চণ্ডাল,
অযোধ্যাৰ ভাবি যুবৰাজ
আলাসৰ ধন, ক্ষত্ৰিয় কোৱঁৰ
জ্যেষ্ঠ পুত্ৰ শ্ৰীৰামক
কিয় লাগে তোক ?
নৰকৰ কীট তই,
বাওনাক লাগে কিয়—
আকাশৰ ধৱল চন্দ্ৰমা,
গঙ্গাস্নানৰ শুভ মুহূৰ্ত্তত
অকাৰণে নিদিবি ব্যাঘাত।

গুহক—সচাঁকথা মহাৰাজ। মই এক হীন জাতি। লোকে কয়—অস্পৃশ্য চণ্ডাল। তথাপি প্ৰভু ৰামচন্দ্ৰক দেখা পাবৰ নিমিত্তে এবাৰ দেৱতাৰ চৰণ সেৱা কৰিম বুলি অপেক্ষা কৰিছো। আপুনি এবাৰ মাথোন চৰণ সেৱাৰ সুযোগ দিয়ক ৰাজন্!

দশৰথ—অসম্ভব। নাপাবি আদেশ,

ৰামচন্দ্ৰক নিদিওঁ কৰিব স্পৰ্শ

হীন তই অস্পৃশ্য চণ্ডাল
বাঞ্ছা সিদ্ধি নহব সহজে।

গুহক—কি মহাৰাজ, মোৰ আকুল মিনতি আপুনি অগ্ৰাহ্য কৰিছে; ই কি বিফল হব? তেন্তে শুনক। মোৰ দেৱতা—যাৰ বাবে মই অপেক্ষা কৰিছোঁ—সেই প্ৰভু ৰামচন্দ্ৰক দেখা নোপোৱা পৰ্য্যন্ত গঙ্গাৰ পথ এৰি দিয়া নহব। দিব লাগে—দিম মই তাৰ বাবে প্ৰাণ বিসৰ্জ্জন।

দশৰথ—অবোধ চণ্ডাল।
সামান্য পিপৰা হই
ছাটি ধৰ পথ—
চাওঁ বাৰু কেনেদৰে
গঙ্গা স্নান কৰ নিবাৰণ।
এই চা' অস্ত্ৰ মই ধৰিলোঁ হাতত
পাৰ যদি ৰক্ষা কৰ
নিজৰ জীৱন।

গুহক—উত্তম মহাৰাজ।
মইও দিম
সাধ্যমতে শক্তিৰ চিনাকী।

[উভয়ৰ যুদ্ধ। গুহক পৰি যায়। দশৰথৰ ইঙ্গিতত এজন সৈনিকে গুহকৰ হাত বন্ধন কৰে]

দশৰথ—কেনে পালি গুহক চণ্ডাল।
সিংহৰ আগত সামান্য মাখিয়ে তই
কৰ আস্ফালন;
চিনিলিনে মহাৰাজ দশৰথ কোন ?
থাক পৰি দাঁত ভগা কেকোঁৰাৰ দৰে।
হীন জাতি চণ্ডালক বধ কৰি
দশৰথে নলয় কলঙ্ক।

গুহক—ৰাম ৰাম ৰাম
ক'ত আছা গুণনিধি
ৰঘুপতি ৰাম
নাপাম নে তোমাক দেখা
মাথোন এবাৰ।

[ৰামচন্দ্ৰ লৰি আহি দশৰথৰ ভৰিত পৰে]

ৰাম—পিতা ! কৰিছোঁ কাকুতি,
বিচাৰিছোঁ ভিক্ষা মই
এই গুহকক ;
বন্ধনৰ মুক্তি দিলে
লভিম আনন্দ।
ৰাখিবনে মিনতি ৰামৰ ?

দশৰথ—ৰাঘৱ ! তোমাৰ মিনতি শুনি

দিলোঁ বাক অব্যাহতি
হওক বাক চণ্ডালৰ বন্ধন মোচন।

[ৰামচন্দ্ৰই গুহকৰ হাতৰ বান্ধ খুলি দিয়ে]

গুহক—প্ৰভু গুণনিধি—করুণাসাগৰ ৰাম
তয়ু পদে অপৰাধী গুহকক
দিয়ে যেন চৰণত ঠাই
অতি হীন মই
মানবৰ অস্পৃশ্য চণ্ডাল।

ৰাম—হব পাৰা বিশ্বৰ অস্পৃশ্য
হব পাৰা হীন জাতি
অস্পৃশ্য চণ্ডাল,
তথাপি পৰম বান্ধব তুমি
সুহৃদ ভকত।

[আকোঁৱালি লয়]

দশৰথ—ছিঃ ছিঃ—ৰাঘৱ।
স্পৰ্শ তুমি কৰিলা চণ্ডাল
স্থান তাৰ অতিকে তলত
চুলেও সামগ্ৰী যাৰ—দিওঁ দলিয়াই
পানীও অশুচি হয়

নাই স্থান দেৱ মন্দিৰত
পূজাৰ প্ৰসাদো আমি—
যাৰ সৈতে লগলাগি নকৰো ভোজন
তেনে হীন জাতি চণ্ডালক
আকোঁৱালি ল'লা নিজে তুমি
ঘৃণনীয় কাম তুমি কৰিলা ৰাঘৱ ।

ৰাম—পিতা ! নহয় গুহক এওঁ
অস্পৃশ্য চণ্ডাল।
কুলগুৰু বশিষ্ঠৰ জ্যেষ্ঠ পুত্ৰ এওঁ
বামাদেৱ নাম।
সুঁৱৰিলে পাব পিতা
অন্ধমুনি পুত্ৰ হত্যা কৰি
ওভতি আহোঁতে
পিতা যেতিয়া যায় মুনি ঘৰলৈ
কুলগুৰু বশিষ্ঠ নাছিল ঘৰত।
ব্ৰহ্ম হত্যা পাপৰ নিস্কৃতি হেতু
এই বশিষ্ঠপুত্ৰই—
প্ৰায়চিত্ত কৰাইছিল
গোৱাইছিল ৰাম নাম
ক্ৰমে তিনিবাৰ ।
এক ৰাম নামে সৰ্ব্ব পাপক্ষয়
তিনিবাৰ ৰাম নাম—অবিধেয় হেতু

বশিষ্ঠই শাপিছিল নিজ পুতেকক,
এৱেঁ সেই বশিষ্ঠৰ জ্যেষ্ঠ পুত্ৰ
বামাদেৱ নাম ;
হীন জাতি অস্পৃশ্য চণ্ডাল আজি
গুহক নামত।
মানবৰ চকুৰ আগত
বামাদেৱ হীন লোক—
জাতিত চণ্ডাল তেওঁ
অস্পৃশ্য মানব।

দশৰথ—সচাঁকথা ৰাঘৱ ;
সেই কথা পৰিছে মনত
মৃগ বুলি শব্দভেদি বাণ মাৰি
অন্ধমুনি পুত্ৰ হত্যা কৰি—
ব্ৰহ্মবধ পাপৰ খণ্ডন হেতু
প্ৰায়চিত্ত হোৱা কথা আজি মোৰ
ভাল দৰেই পৰিছে মনত।

গুহক—ইকি প্ৰভু! কি অমৃত বাণী
গুহকক শুনালে কানত
আজি ঋষিৰ কথা পৰিছে সঘনে
শাপগ্ৰস্ত চণ্ডাল মই—
ঘৃণিত জীৱন মোৰ
পৰিত্ৰাণ কৰাহে ৰাঘৱ।

ৰাম—গুহক। প্ৰকৃত নোহোৱা তুমি
ঘৃণনীয় কৰ্ম্মৰ চণ্ডাল
সজ কৰ্ম্ম সদাচাৰ, শুদ্ধাচাৰ
বসতি আচাৰ চলন
বিভিন্ন কৰ্ম্মৰ হেতু
সজগুণ সদাচাৰী হৈ
মানবীয় ৰূপ ললে
অধমো উত্তম হয়
কৰ্ম্মৰ বলত।
গাভীৰ তনয় বিশ্বামিত্ৰ শূদ্ৰ হৈও
গুণৰ পূজাৰী হই
কৰ্ম্মৰ সংস্কাৰ যোগে
ঋষি বুলি হল জনাজাত,
জনমি উত্তম কুলত
অসৎ চৰিত্ৰ লৈ
পশুৰো অধম হই
অকাৰ্য্য কৰিলে—
উত্তম জাতিও হয় কৰ্ম্মৰ চণ্ডাল
পৃথিবীৰ সকলো মানব
সুখ দুখ আছে সকলোৰে
উপজি সকলো মৰে,
নাই ভিন্ন একেই পৰাণ

বিশ্ব নিয়ন্তাই দিয়া নাই
উচ্ছ নীচ ভেদাভেদ
একে সেই মানবী দেহত।
আহা গুহক। ভক্ত মোৰ
দিয়া সম্ভাষণ,
লুপ্ত কৰি অস্পৃশ্যতা—সখা হই
বান্ধ খাওঁ একেটি ডোলেৰে
আজি ধৰি তোমাৰ লগত।

গুহক—হে পতিতপাৱন প্ৰভু—দীন দয়াল ৰাম।

[গুহকে সেৱা কৰে—ৰামে দুইহাতে
গুহকক সাবটি ধৰে]

দশৰথ—(স্বগতঃ) ধন্য গুহক। ধন্য তোমাৰ অচলাভক্তি। ৰামৰ
ভকত তুমি—"ভক্ত গুহক"।

[পট]

তৃতীয় দৃশ্য

[গঙ্গাৰ পাৰ। গুহকে হাতত বঠা লৈ নাওত উঠি গঙ্গাৰ ওপৰত গীত গাই থাকে। গীতৰ অন্তত আনফালৰ পৰা বনবাসী ৰাম, লক্ষ্মণ আৰু সীতাৰ প্ৰৱেশ।]

গীত

ভৱ নদীৰ বাটৰুৱা ঐ
ইপাৰতে থাকা ৰই
পাৰ কৰি দিম বান্ধৈ
অলপ ৰোৱা ঐ।
আহিছা অকলে
যাবাগৈ অকলৈ
দিম বাৰু পাৰ কৰি
অলপ ৰ'বা ঐ।
অ' বাটৰুৱা ঐ
আনিছানে হাঁচটিত
ডুটি চৰতীয়া
ইপাৰৰ বজাৰত বেহাবলৈ।
পাৰ কৰি দিম বান্ধৈ
অলপ ৰোৱা ঐ

ৰাম—চোৱা সীতা ! এইয়ে পুতসলিলা গঙ্গা। যি গঙ্গাক ভগীৰথে নমাই আনি পিতৃ পিতামহ সকলক উদ্ধাৰ কৰিছিল—সেই ভাগীৰথী গঙ্গা কুলু কুলু সোতেঁৰে একেদৰে অবিৰাম বৈ আছে। আউসী আৰু পূৰ্ণিমাত এই গঙ্গাত হঠাতেই জোৰাঁৰ উঠে ফেনে ফোটকাৰে ডুয়ো কুল উপচি পৰে—পুনৰ মাৰ যায় ধীৰে ধীৰে। এই গঙ্গাত আছে বিবিধ জাতীয় মাছ, কাছ, শিশু, ঘৰিয়াল আদি কত প্ৰাণী। সোবোৰ জলচৰ পখী—হাঁহ, ঘিলা, চাকৈচকোৱা, চক্ৰবাক আদি পখীবোৰ চোৱাঁ—কিমান ধুনীয়া। সৌ যে দেখিছা—দূৰণিৰ গছ হাবি বন তাত আছে সৰযু নদী। যাঁহ বনেৰে ঢাক-খোৱা সৰযুৰ পাৰৰ তৃণভূমি চিকাৰৰ আমোদৰ ঠাই। তাত দেখা পাবা চপলা হৰিণা—কাণত শুনিবা বিহগৰ মধুৰ মাত, কুকিলৰ ধ্বনি—য'ত বিহাৰ কৰি মন গা প্ৰফুল্ল লাগে। এই সৰযু নদীতে ৰঘু বংশৰ পিতৃ পুৰুষ সকলৰ তৰ্পণ দি আহিছে।

সীতা—ব'লক নাথ। এই সৰযুৰ পাৰতে দিন দিয়েক থাকি পুনৰ আন ফালে যাম। বনবাসৰ সুদীৰ্ঘ চৈধ্যটা বছৰ সৰযুৰ দৰে নদীৰ পাৰত কটালে বন-বাসৰ কষ্ট নিশ্চয় লাঘৱ হব নাথ। শৰীৰ মন উভয়ে ভালে থাকিব।

ৰাম—সৰযু পাৰত আমি থাকি ভাল পাম সঁচা। কিন্তু এতিয়া

আমি দূৰলৈ যোৱাহে মঙ্গল, সীতা। ৰাজধানীৰ ওচৰত থাকিলে আযোধ্যাবাসী প্রজা সকলে আমাক ঘূৰাই নিয়াৰ প্রচেষ্টা কৰিব। ভাতৃ ভৰতে ৰাজ্য শাসনত জটিল পাব। ৰাজ্যত প্ৰমাদ ঘটিব। প্ৰজাৰ সন্তুষ্টি অৰ্থে ভৰতে আমাক বনবাসৰ পৰা ঘূৰাই নিবলৈ আহিব। সেয়ে হলে পিতাৰ প্রতিজ্ঞা নষ্ট হব আৰু মোৰও পিতৃ সত্য পালন নহব।

লক্ষ্মণ—সঁচা কথা দাদা। ভৰতৰ অন্তৰ বৰ সৰল। আমি এই সৰযুৰ পাৰত থকা খবৰ পালে আমাক বনবাসৰ পৰা ফিৰাই নিবলৈ ভৰত শত্রুঘ্ন লৰি আহিব। এতেকে আমি দূৰলৈ যোৱাই উচিৎ হব দাদা!

ৰাম—ঠিক কৈছা লখাই। আমি বহুত দূৰলৈ যাম। গঙ্গাৰ আন পাৰেই কিছু দূৰত দণ্ডকাৰণ্য। তাত আছে ঋষি সকলৰ আশ্রম—নানান তীর্থ ক্ষেত্র। ঋষি-মুনি সকলৰ আশ্ৰম বিলাকত ফুৰিলে মন শৰীৰ উভয়ে ভালে থাকিব।

সীতা—মই বৰ ক্লান্ত। আজি ইয়াতেই জিৰণিৰ ব্যৱস্থা কৰক নাথ। এতিয়া পশ্চিম আকাশত সূৰ্য্য মাৰ যাওঁ যাওঁ।

ৰাম—শুনা লক্ষ্মণ। গঙ্গাৰ এই পাৰে এই খনেই শৃঙ্গৱ দেশ—মোৰ সখা গুহকৰ ৰাজ্য। আজি তেওঁৰ তাতে অতিথি হম। আমাক পালে গুহকে বৰ আনন্দ পাব আৰু

আমিও তেওঁৰ পৰা পথৰ অনুসন্ধান পাম। বাৰু সৌ যে—দেখিছা নাৱৰীয়াজন, তেওঁক সোধাচোন—গুহকৰ কিবা সম্ভেদ জানেনে ?

লক্ষ্মণ—ভাল দাদা! সৌৱা, নাৱৰীয়াজন এই ফালেই আহিছেই।

(অলপ বৈ আগবাঢ়ি গৈ)

নাৱৰীয়াকাই! আপুনি আমাক এটি বাতৰি দিব পাৰেনে ? অনুগ্ৰহ কৰি গুহকৰ বাসস্থান আৰু তেখেতৰ সম্ভেদ কিবা দিব পাৰিবনে ? আমাক নি তেওঁৰ কুটিৰত সাক্ষাৎ কৰাই দিলে আমি পৰম আনন্দ পাম।

গুহক—(পাৰলৈ উঠি আহি) কোন আপোনালোক ! পৰিচয় দিলে সুখী হম।

লক্ষ্মণ—আমি অযোধ্যাৰ ৰজা দশৰথৰ পুত্ৰ। এইয়ে মোৰ অগ্ৰজ দাদা ৰামচন্দ্ৰ। সেইয়ে দাদাৰ পত্নী জনক-নন্দিনী সীতা—আৰু মই অনুজ লক্ষ্মণ।

গুহক—কি ৰঘুকুল ৰাম—মোৰ প্ৰভু ৰামচন্দ্ৰ ? ই জানো সম্ভব ?

ৰাম—সঁচা! ই প্ৰকৃত সম্ভব, আৰু আজি বাস্তৱত। মইয়ে দাশৰথী ৰামচন্দ্ৰ এইয়ে মোৰ পত্নী সীতা আৰু আনজন ভাতৃ লক্ষ্মণ।

গুহক—কি! মোৰ প্ৰভু ৰামচন্দ্ৰৰ গাত কিয় দেখা পাওঁ বাকলি বসন ?

ৰাম—ই বহুত কথা। মাহী আই কৈকেয়ীক পিতা দশৰথে দিয়া সত্য প্ৰতিশ্ৰুতি ৰক্ষা কৰি—বিমাতা পুত্ৰ ভৰতৰ বাবে ৰাজ্যভাৰ এৰি থৈ, চৈধ্য বছৰৰ বাবে বনবাসলৈ ওলাই আহিছোঁ। লগত আহিছে—অনুগত সোদৰ লক্ষ্মণ আৰু মোৰ পত্নী জনকনন্দিনী সীতা। তোমাৰ প্ৰকৃতি আৰু চেহেৰা চাই তুমিয়ে মোৰ সখা গুহক বুলি অনুমান কৰোঁ। আৰু যদি সেইয়ে হয় আজি তোমাৰ ঘৰত অতিথি হম।

গুহক—হয় প্ৰভু! মইয়ে সেই সেৱক গুহক। যাক মহাৰাজ দশৰথৰ বন্ধনৰ পৰা মুকলি কৰি অৱহেলিত অস্পৃশ্য গুহকক—আন্ধাৰৰ পৰা—পোহৰৰ বাট দেখুৱাইছিল। হে প্ৰভু ৰাম—মোৰ চিৰ আৰাধ্য দেৱতা—পতিত পাৱন শ্ৰীৰামচন্দ্ৰ—আজি মোৰ কি সৌভাগ্য। আহক প্ৰভু আহক, ঘাটৰ পাৰত থকা এই ঘৰটোৱেই সেৱকৰ কুটিৰ। দাসৰ জন্ম জন্মান্তৰৰ সাধনাত সৌভাগ্য বলে —আজি প্ৰভুক পাইছোঁ—অতিথি হিচাবে।

ৰাম—সখা গুহক! মই বনবাসী তপস্বী। এতেকে তোমাৰ কুটিৰৰ সন্মুখত থকা—এই ইঙ্গুদি গছৰ তলতে মোৰ বিশ্ৰামৰ ব্যৱস্থা কৰা। মোৰ সৌভাগ্য যে—তোমাৰ সন্তেদ বিচাৰি সুধিব খোজোতেই তোমাক লগ পালো।

গুহক—আহক প্ৰভু, এই কুশাসনৰ দলিচাত খন্তেক বিশ্ৰাম লওক। অভাজনে খাদ্য সামগ্ৰী প্ৰস্তুত কৰোঁগৈ (স্বগতঃ) ধন্য গুহক। তই হীন চণ্ডাল হলেও শত ভাগ্যবান যে—জগতৰ আৰাধ্য দেৱতাক সি আজি পাইছে ঘৰতে—দেৱতাক তাৰ অতিথি হিচাবে।

(প্ৰস্থান)

সীতা—নাথ! কোন এওঁ গুহক ?

ৰাম—জনকনন্দিনী! এওঁৱে গুহক—যাক হীন চণ্ডাল বুলি সকলোৱে ঘিণ কৰে। যাক এদিন পিতায়ো বন্ধন কৰি ৰাখিছিল।

সীতা—একো নুবুজিলোঁ প্ৰভু।

ৰাম—কম বিবৰি সকলো কথাকে। এতিয়া তুমি বিশ্ৰাম লোৱা তুমি বৰ ক্লান্ত। আহা সীতা! এই দলিচাতে বহি পথ শ্ৰমৰ অন্তত জিৰণি লোৱাঁ।

সীতা—নাথ। এই গুহক জাতত চণ্ডাল হলেও এওঁৰ শিষ্টাচাৰ আচলতে শলাগিব লগা, প্ৰশংসনীয়।

লক্ষ্মণ—গুহকৰ ব্যক্তিত্ব কেৱল শিষ্টাচাৰতেই নহয়। এই শৃঙ্গৱ দেশৰ বিবিধ কাৰ্য্য আৰু ইয়াৰ সৌন্দৰ্য্যও —চমৎকাৰ। বাটৰ দুয়ো কাষে শাৰী শাৰী ফল আৰু ফুলৰ গছ। পকি পকি থকা বিবিধ ফল আৰু ফুলি থকা

নানান তৰহৰ ফুল বোৰলৈ চাই গুহকৰ এই শৃঙ্গৱ দেশ—শান্তিৰ এখন তপোবন।

ৰাম—সচাঁকৈয়ে গুহকৰ এই শৃঙ্গৱ দেশ ফল ফুলেৰে সুশোভিত এখন শান্তিৰ তপোবন। (অলপ বৈ)

অ' সৌৱা! অমাত্য সকলৰ সৈতে গুহক আহিছেই।

[গুহক আৰু চণ্ডাল বিলাকে—খাদ্য সামগ্ৰী আনি ৰামৰ আগত থৈ সশ্ৰদ্ধাৰে প্ৰণিপাত কৰে]

ৰাম—ধন্য গুহক। ধন্য তোমাৰ বন্ধু আৰু অমাত্য সকল। তোমালোকৰ অচলা ভক্তিত মই সন্তুষ্ট। এতিয়া সকলোটি বহা। যাক হীন অস্পৃশ্য জাতি বুলি সকলোৱে ঘৃণা কৰে আজি সেই অৱহেলিত তোমালোকৰ সৈতে একত্ৰ ভোজন কৰি অস্পৃশ্যতা দূৰ কৰোঁ। লখাই তুমি খাদ্য সামগ্ৰী বিতৰণ কৰা। বন্ধু সকল বহাঁ। সকলোটি মিলি আজি একেলগে সহ ভোজন কৰোঁ।

[লক্ষ্মণে খাদ্য বস্তু বিতৰণ কৰে। সকলোৱে খাবলৈ আৰম্ভ কৰে। ৰামে খোৱা বস্তু প্ৰথমে নিজ হাতত লৈ এমুঠি এমুঠিকৈ সীতাক দিয়ে নিজেও খায়]

[পট]

চতুৰ্থ দৃশ্য

(গঙ্গাৰ পথ) গুহক আৰু দুজনমান চণ্ডাল।

গুহক—অমাত্য সকল, শুনা যায় কাৰবাৰ আগমনৰ জয়ধ্বনি। অনুমান হয় সসৈন্যে কোনোবা আহি আমাৰ ৰাজ্যত প্ৰবেশ কৰিছে।

প্ৰথম চণ্ডাল--শৃঙ্গৰাধিপতি। অযোধ্যাৰ ৰাজকোঁৱৰ ভৰত সসৈন্যে আহি আমাৰ শৃঙ্গৱ ৰাজ্যৰ ভিতৰ সোমাইছে। এইফালে আহিব লাগিছে।

গুহক—কি! অযোধ্যাৰ কোৱঁৰ ভৰত এইফালে আহিছে। ৰাজ্যলোভী ভৰতে কুট চক্ৰান্ত কৰি প্ৰভু ৰামচন্দ্ৰৰ পৰা ৰাজ্য কাঢ়ি লৈ ক্ষান্ত হোৱা নাই—আৰু এতিয়া আহিছে দেশ জয় কৰিবলৈ। অমাত্য সকল। ব'লা পথ বন্ধ কৰি—ৰাজ্যলোভী ভৰতক উচিৎ শাস্তি দিওঁগৈ।

দ্বিতীয় চণ্ডাল—ব'লক শৃঙ্গৱপতি! ভৰতৰ ৰথ, হাঁতী, ঘোঁৰা, সকলো কাটি খণ্ডখণ্ডকৈ গঙ্গাত উটাই দিম।

[প্ৰস্থান। আনফালৰ পৰা ভৰত আৰু সুমন্ত্ৰৰ প্ৰবেশ]

ভৰত—সুমন্ত্ৰ। এয়ে নেকি সেই শৃঙ্গৱ দেশ—চণ্ডাল গুহকৰ ৰাজ্য। এই দেশৰ বিবিধ কাৰ্য্যৰ আচনি দেখি মই স্তম্ভিত হৈছোঁ। আলিৰ কাষত ছাঁ পৰা গছ, আলহি থকা ঘৰ, বিবিধ ফল-মূলেৰে পূৰ্ণ গছ-গছনি, ৰোগ নিবাৰণৰ বাবে বৈদ্যৰ ব্যৱস্থা;—এনে সুশৃঙ্খলাৰ ৰাজ্য চণ্ডালৰ হলেও ই শান্তিৰ শীতল দেশ; ধাৰ্ম্মিক সজ্জনৰ ঠাই। এই দেশৰ প্ৰতিটো কাৰ্য্যই মোক মুগ্ধ কৰিছে।

সুমন্ত্ৰ—কোঁৱৰ! এই দেশ আৰু ইয়াৰ ৰজা গুহক চণ্ডাল হলেও—তেওঁৰ সুশাসন ঈশ্বৰ-পৰায়ণতাত গোটেই ৰাজ্যত শান্তি বিৰাজ কৰিছে। এই গুহক ৰামচন্দ্ৰৰ একান্ত ভক্ত বাবেই গুহকৰ ৰাজ্যত শ্ৰীৰামচন্দ্ৰই জিৰণি লৈছিল। ইয়াতেই ৰামচন্দ্ৰৰ সবিশেষ বাৰ্ত্তা পোৱা হব কোঁৱৰ।

[আনফালৰ পৰা অস্ত্ৰ শস্ত্ৰ লৈ গুহকৰ সৈন্য
আৰু অন্যান্য চণ্ডালৰ প্ৰবেশ]

তৃতীয় চণ্ডাল—কোন তোমালোক? এখোজো আগ নাবাঢ়িবা। শৃঙ্গৱ অধিপতিৰ বিনা অনুমতিত এই ৰাজ্যত প্ৰবেশ কৰাৰ শাস্তি কি জানানে?

চতুৰ্থ চণ্ডাল—তুমিয়ে নেকি ৰাজ্যলোভী ভৰত? প্ৰভু ৰাম-

চন্দ্ৰক বাকলি বসন দি বনলৈ পঠালা। ভ্ৰাতৃদ্ৰোহী ভৰত! তোমাৰ আগমনৰ অভিপ্ৰায় কি?

ভৰত—মই শৃঙ্গৱ অধিপতি গুহকৰ সাক্ষাৎ বিচাৰোঁ।

(গুহকৰ প্ৰবেশ)

গুহক—শৃঙ্গৱ অধিপতি গুহকৰ সাক্ষাতৰ প্ৰয়োজন? শৃঙ্গৱ অধিপতি গুহকক চলে বলে পৰাজয় কৰি এই দেশ অধিকাৰ কৰা—বা বনলৈ যোৱা মোৰ প্ৰভু ৰামচন্দ্ৰৰ অনিষ্ট সাধন কৰা। কোৱা ভাতৃবৈৰী ভৰত! তোমাৰ উদ্দেশ্য কি?

সুমন্ত্ৰ—শুনা শৃঙ্গৱ ৰাজ! আমি আহিছো আপোনাক লগ কৰি সপত্নীক দাদা ৰামচন্দ্ৰ আৰু লক্ষ্মণৰ বাৰ্ত্তা লবলৈ। বনলৈ অহা ৰামচন্দ্ৰক বনৰ পৰা ফিৰাই নিবলৈ—। ৰামচন্দ্ৰ বনলৈ অহাত সোণৰ অযোধ্যা শ্মশানত পৰিণত হৈছে। ভৰত শত্ৰুঘ্নৰ অনুপস্থিতিত মন্থৰা নামৰ এজনী বেটীৰ ষড়যন্ত্ৰত—ৰাণী কৈকেয়ীৰ দ্বাৰা এই অসম্ভব কাৰ্য্য ঘটিল। কুমাৰ ভৰত মৰ্ম্মাহত হৈছে। সিংহাসন পৰিহাৰ কৰি বনলৈ অহা ৰামচন্দ্ৰক ফিৰাই নি পুনৰ ৰামক সিংহাসনত বহুৱাব, এই উদ্দেশ্যে ৰামৰ অনুসন্ধানৰ বাবে আপোনাৰ সাক্ষাৎ বিচাৰিছে।

ভৰত—কওক গুহক। দাদা সপত্নীক ৰামচন্দ্ৰ লক্ষ্মণ সহ কেনি

গ'ল। দাদাৰ বন যাত্ৰাৰ বাতৰিয়ে মোক মৰ্ম্মাহত কৰিছে। ৰামৰ চিৰ অনুগত এই ভৰতে আজি পাত্ৰ-মিত্ৰ সমন্বিতে ওলাই আহিছোঁ—দাদা ৰামচন্দ্ৰক বন-যাত্ৰাৰ পৰা ঘুৰাই আনিবলৈ। কওক শৃঙ্গৱ ৰাজ! দাদা ৰামচন্দ্ৰ কেনি—কোনফালে গ'ল ?

গুহক—ধন্য কুমাৰ। তুমি ৰাঘৱৰ যথাৰ্থ ভাতৃ। তুমি ৰঘু-বংশৰ গৌৰৱ ৰক্ষা কৰিব পাৰিবা। তোমাৰ আগমনৰ উদ্দেশ্য শুনি এই গুহকে আন্তৰিক ধন্যবাদ আৰু অভিবাদন জনাইছোঁ।

সুমন্ত্ৰ—কওক গুহক প্ৰভু ৰামচন্দ্ৰৰ সম্বাদ কি? আমি শুনিছো ৰামচন্দ্ৰ আপোনাৰ তাত এদিন অতিথি হিচাবে জিৰণি লৈছিল।

গুহক—সৌ মোৰ ইঙ্গুদি গছৰ তলতেই প্ৰভুৱে বিশ্ৰাম লৈছিল। আহা-হা কি যে মধুৰ ৰজনী—। গুহকৰ সৌভাগ্যৰ এটা দিন। যিটো দিন ঘুৰি অহা নাই, পুনৰ বিচাৰি পোৱা নাই। প্ৰভুৰ কি অপাৰ কৰুণা—কি যে মহান, সৰ্ব্বশক্তিমান। আমি চণ্ডাল, জগতৰ মানবৰ আমি অস্পৃশ্য, ঘৃণনীয়-অপবিত্ৰ নগণ্য প্ৰাণী। কিন্তু মোৰ প্ৰভু শ্ৰীৰামচন্দ্ৰই এই হীন অস্পৃশ্য চণ্ডালক পদৰেণু দি কৃতাৰ্থ কৰিলে। হে প্ৰভু! ৰাঘৱ। এই হীন গুহকৰ প্ৰণাম য'তে আছে তাৰে পৰা গ্ৰহণ কৰক প্ৰভু।

ভৰত—ধন্য আপোনাৰ অচলা ভক্তি। শত ধন্য আপোনালোক। এনে ৰাম ৰত্ন আমি পাইও দূৰ্ভাগ্যবশতঃ হেৰুৱাইছো। কওক গুহক! তাৰ পিছত দাদা ৰামচন্দ্ৰ কেনি ক'লৈ গল?

গুহক—পিছ দিনা প্ৰভুৰ ইচ্ছামতে প্ৰত্যুষতে গঙ্গা পাৰ কৰি দিয়া হল। আই জনকনন্দিনী সীতা আৰু লক্ষ্মণৰ সৈতে দণ্ডকা বনৰ ভৰদ্ৰাজৰ আশ্ৰমলৈ ধীৰে ধীৰে চলি গল।

ভৰত—তেন্তে শৃঙ্গৱ ৰাজ—আমাকও সেই পথেই পাৰ কৰি দিব। সেই পথ অনুসন্ধান কৰি সোনকালেই যেন দাদা ৰামচন্দ্ৰক লগ পাওঁগৈ।

গুহক—আজি ইয়াত বিশ্ৰাম লওক কুমাৰ। কালিলৈ প্ৰত্যুষতে আপোনাক গঙ্গা পাৰ কৰি দিম যাতে প্ৰভুক লগ পায়গৈ।

[অদূৰত ৰাম ভজন গোৱা
শুনা যায়]

সুমন্ত্ৰ—[কান পাতি] ৰামনামৰ মধুৰ ধ্বনি। কোনে গাইছে—এনে শুৱলা ভজন।

ভৰত—এনে সুললিত ৰাম ভজন মধুৰ সুৰেৰে কোনে কীৰ্ত্তন কৰিছে। আমাকও তালৈ লৈ ব'লক গুহক।

গুহক—এতিয়া মন্দিৰত সান্ধ্য আৰতিৰ পিছত বন্ধু সকলে ৰামভজন কীৰ্ত্তন কৰিছে। যাৰ পদৰেণু পৰি শৃঙ্গৱ ৰাজ্য পবিত্ৰ হল—সেইদিন ধৰি প্ৰভু ৰাঘৱৰ দৈনন্দিন ৰাম নাম কীৰ্ত্তন কৰা হয়। অন্যান্য দিনৰ দৰে বন্ধু সকলে আজিও প্ৰভুৰ কীৰ্ত্তন কৰিছে।

ভৰত—ব'লক গুহক। আমাকো তালৈকে লৈ ব'লক। ৰাঘৱৰ ৰামনাম কীৰ্ত্তন শুনি শৰীৰত শান্তি লাভ কৰোঁ।

সুমন্ত্ৰ—পলমৰ সকাম নাই—শৃঙ্গৱ পতি। ৰাম নামৰ কীৰ্ত্তন চলি থকা মন্দিৰলৈ আমাক লৈ ব'লক।

গুহক—ব'লক তেন্তে।

[প্ৰস্থান]

পঞ্চম দৃশ্য

[(মন্দিৰৰ প্ৰাঙ্গণ) মন্দিৰৰ দুৱাৰ বন্ধ। পূজাৰীয়ে ভিতৰত মন্দিৰৰ দুৱাৰ বন্ধ কৰি পূজা কৰি থাকে। বাহিৰৰ পৰা পূজাৰীৰ শ্লোক, শঙ্খ ঘণ্টাৰ শব্দ শুনা যায়। বাহিৰত চণ্ডাল বিলাকে ৰাম ভজন গাই থাকে]

ভজন

আজি আনন্দে,　　সুললিত ছন্দে
মধুময় ৰাম নাম, সুমধুৰে গোৱাহে
জয় জয় ৰাম,　　ৰঘুকুল পতি
শ্যামল সুন্দৰ মোহন মুৰুতি।
জগত তাৰণ,　　সত্য সনাতন
জানকী বল্লভ, ভূ-ভাৰ হৰণ।
নমো নমো ৰাম,　　পুৰুষ উত্তম
পতিত পাৱন, ভকত তাৰণ।

[ভজন চলি থাকোতেই—ভৰত, গুহক, সুমন্ত্ৰ সোমাই যায়। চণ্ডাল বিলাকে স্তব্ধ হৈ ৰৈ যায়]

ভৰত—আহ ! কি মধুৰ। ৰাম নামৰ কি অমিয়া লহৰি। কি

অপূৰ্ব্ব সমাবেশ। ধন্য গুহক, শত ধন্য আপোনাৰ বন্ধু সকল। যি সকলৰ হৃদয়ত ৰাম নামৰ প্ৰেমসোঁত প্ৰবাহিত হয়, যাৰ অন্তৰত ৰাম নাম সৰোবৰ হৈ উপচি আছে—যি সকলৰ হৃদয়—ৰাম নামৰ প্ৰদীপৰ আভাত জ্যোৰ্তিময় হৈছে সেই সকল শত ধন্য। কোনে কয়—সেই সকল হীন, সেই সকল ঘৃণনীয় অস্পৃশ্য চণ্ডাল ?

[অলপ বৈ—ভিতৰত পূজাৰীৰ শঙ্খ ঘণ্টাৰ মাত শুনি আচৰিত হৈ]

কি মন্দিৰৰ ভিতৰত পূজা চলি আছে। পূজাৰীয়ে মন্দিৰৰ দুৱাৰ বন্ধ কৰি ৰামৰ ভক্ত সকলক দেৱতা দৰ্শনৰ পৰা বঞ্চিত কৰি ৰাখিছে ?

২য় চণ্ডাল—হয় কুমাৰ! অস্পৃশ্য চণ্ডাল বুলি আমাৰ নৈবেদ্য দেৱতাত নলগায় ? সেয়ে নহয়।—মন্দিৰৰ দুৱাৰ বন্ধ কৰি থয়। আমাৰ প্ৰবেশ দূৰৰ কথা—দেৱতা দৰ্শনৰ পৰাও আমাক চিৰদিন বঞ্চিত কৰি ৰাখিছে—পূজাৰীয়ে ?

সুমন্ত্ৰ—কি দেৱতা দৰ্শনৰ বাবেও দুৱাৰ বন্ধ কৰি ৰাখে পূজাৰীয়ে ?

ভৰত—উঃ ইমান অৱহেলিত। নাই ই হব নোৱাৰে যি সকলৰ অন্তৰত জ্ঞান সূৰ্য্য উদয় হৈছে, যি সকলৰ

অন্তৰত পৰম নিৰ্ম্মল, পৰম পবিত্ৰ ৰাম নাম বিৰাজ কৰিছে—যাৰ আত্মাই পোহৰ দেখা পাইছে—সেই সকল হীন চণ্ডাল হব নোৱাৰে। সেই সকলে নিজে সদগতি লাভ কৰি কোটি পুৰুষকো উদ্ধাৰ কৰিব পাৰে। ধৰ্ম্ম আৰু জাত সত্তাৰ পৰিবৰ্ত্তন মাথোন। আহাঁ ৰাম-নামৰ পূজাৰী সকল [মন্দিৰৰ দুৱাৰ মুকলি কৰি দি] আজি মই নিজে ৰঘুবংশৰ ৰামচন্দ্ৰৰ ভাতৃ ভৰতে মন্দিৰৰ দুৱাৰ মুকলি কৰি, মন্দিৰত তোমালোকৰ প্ৰবেশৰ অধিকাৰ আজি ধৰি মুকলি কৰি দিলো। আহক শৃঙ্গৱ পতি —আহক বন্ধুসকল।

চণ্ডাল বিলাক—জয় শ্ৰীৰামচন্দ্ৰৰ জয়। জয় কুমাৰ ভৰতৰ জয়।

পূজাৰী—[আচৰিত হৈ] শ্ৰী বিষ্টু। শ্ৰী বিষ্টু। মাধৱ-মাধৱ। ম্লেচ্চ চণ্ডালবোৰ আহি মোৰ মন্দিৰত সোমালেহি, পিতৃ পিতামহৰ দিনৰ নোহোৱা-নোপজা কাম হল। হে প্ৰভু ভগৱন্ত। সৰ্ব্বনাশ হল। মন্দিৰ অপবিত্ৰ হল। দূৰ হ—চণ্ডালহঁত। ইয়াত কিয় সোঁমাইছ। আঁতৰ ভালে ভালে।

ভৰত—আপোনাৰ কোনো বক্তব্য থাকিব নোৱাৰে পূজাৰী। এই মন্দিৰ ৰঘুবংশৰ মোৰ পিতামহে স্থাপন কৰিছিল। আজি সেই ৰঘুবংশৰে শ্ৰীৰামৰ ভাতৃ ভৰতে—ইয়াৰ দ্বিতীয় বাৰ দুৱাৰ উন্মোচন কৰিছো—এই সকলৰ কাৰণে।

পূজাৰী—আপুনি ৰামচন্দ্ৰৰ ভাতৃ হৈ এই কাম কিয় কৰিলে ? মন্দিৰৰ দেৱতাও যে-চণ্ডালৰ প্ৰবেশত কলুষিত হল।

ভৰত—শুনা পূজাৰী। পৃথিবীত সকলো একেই মানব। অসত্য আন্ধাৰত ডুব গৈ যি অজ্ঞান পশুৰ দৰে জীৱন নিৰ্ব্বাহ কৰিছে সেই বিলাকেই নীচ হীন আৰু অস্পৃশ্য। যাৰ মন নিৰ্ম্মল—সেই সকলৰ অন্তৰত সত্যৰ দিব্য-জ্যোতিয়ে প্ৰবেশ কৰে আৰু অজ্ঞান আন্ধাৰ বিদূৰ কৰে। শুনা পূজাৰী! ঈশ্বৰৰ বাহিৰে সকলোৱেই অপূৰ্ণ। সেই নিয়ন্তাৰ সৃষ্টিৰ সকলোটি একেই মানব। ইয়াত উচ্চ নীচ ভেদাভেদ থকাতো এক মহাপাপ। যুগাৱতাৰ দাদা ৰামচন্দ্ৰই এই ভক্ত সকলৰ আতিথ্য গ্ৰহণ কৰি গ'ল। সি সকলৰ দ্ৰব্যৰে সহভোজন কৰি সিদিনা এই আদৰ্শ প্ৰদৰ্শন কৰি গৈছে। আৰু শুনা—নিজৰ পবিত্ৰ মনেই একোখন প্ৰধান তীৰ্থ। আত্মাই সাৰ পালেহে শক্তি, মহিমা ; সাধুতা আৰু পবিত্ৰতা আহে। যি কৰ্ম্মৰ দ্বাৰা অপ্ৰিয় আৰু নিন্দাৰ ভাগী হব লগীয়া হয়, সেয়ে অসৎ কৰ্ম্ম। পূজাৰী! ৰাম নামৰ পূজাৰী এই লোক সকলৰ গাত চণ্ডাল বুলি বেলেগ আকৃতি দি ভগবানে সৃজন কৰা নাই, আপোনাৰ দৰেই—একেই মানব। এওঁ লোকৰ প্ৰবেশত দেৱ মন্দিৰ অপবিত্ৰ হব নোৱাৰে। আৰু দেৱতাও কলুষিত হব নোৱাৰে। ঈশ্বৰৰ ওচৰত সকলো

সমান। তেওঁক উপাসনা কৰাত সকলোৰে স্বত্ব আছে।

পূজাৰী—আপোনাৰ কথাত মই পোহৰৰ সন্ধান পাইছোঁ কুমাৰ। আপুনি মন্দিৰৰ দুৱাৰ মুকলি কৰিছে। "চক্রেবৎ পৰিবৰ্ত্তন্তে"—আমিও আজিৰ পৰা এই সকলৰ প্ৰৱেশৰ বাবে দুৱাৰ খোলা ৰাখিলো।

ভৰত—পূজাৰী! ভক্ত সকলে ৰাম নামত আগ বঢ়োৱা উপকৰণ সমূহ দেৱতাত উৎসৰ্গা কৰক—আৰু শুনক এই নৈবেদ্য নিজেই সকলোকে বিতৰণ কৰি দিয়ক। যাওক পলমৰ সকাম নাই।

পূজাৰী—ভাল কুমাৰ! এই সম্পৰ্কে মোৰ আৰু দ্বিধা বোধ নাই। মই আজি উপলব্ধি কৰিছোঁ।

সুমন্ত্ৰ—গোৱা বন্ধু সকল। সমস্বৰে পুনৰ ৰাম নাম গোৱাঁ।

গুহক—গোৱাঁ অমাত্য সকল! প্ৰেমানন্দে ৰাম নাম কীৰ্ত্তন কৰা।

ভজন

প্ৰভু ৰাম কি জয় বোল
সীতা ৰাম কি জয় বোল।
হৰে ৰাম কি জয় বোল।
ৰঘুপতি ৰাম কি জয় বোল।

জানকী বল্লভ কি জয় বোল
দীন দয়াশীল কি জয় বোল।
সীতাপতি সুন্দৰ কি জয় বোল।
পতিত পাৱন কি জয় বোল।

[চণ্ডাল বিলাকে ৰাম ভজন গাই থাকে ভৰত সুমন্ত্ৰ
গুহকে যোগ দিয়ে। পূজাৰ্থীয়ে মাহ
প্ৰসাদ আদি উপকৰণ বস্তু বিলাক
আনি সকলোকে খাবলৈ দিয়ে]

ভৰত—ভক্ত সকল! এতিয়া সকলোৱে ৰাম নামৰ প্ৰসাদ গ্ৰহণ কৰা।

[সকলোৱে প্ৰসাদ খাবলৈ আৰম্ভ কৰে—
ভৰত আৰু সুমন্ত্ৰয়ো খায়]

গুহক—ধন্য গুহক! ধন্য আজি গুহকৰ সহোদৰ বন্ধু সকল। শত ধন্য আজি গুহকৰ শৃঙ্গৱ ৰাজ্য। য'ত প্ৰভু শ্ৰীৰামচন্দ্ৰৰ চৰণ পৰশ পৰি গছ লতিকাও জাতিস্মাৰ হৈছে—সেই ৰাজ্য আজি হীন চণ্ডালৰ ৰাজ্য নহয়। ই আজি অমৰৰ অম্ৰাৱতী—পবিত্ৰ কৈলাস, কোনে কয় গুহক চণ্ডাল; হীন জাতি চণ্ডালৰ অধিপতি গুহক! নহয় কেতিয়াও নহয়, ই আজি দেৱপুৰী—য'ত প্ৰভু ৰাঘৱৰ পদৰেণু পৰি পবিত্ৰ হৈছে, শ্ৰীৰামচন্দ্ৰৰ ভাতৃ ভৰত,—যাৰ বদান্যতাই আমালোকক মন্দিৰত স্থান দি

নিজে আকোঁৱালি লৈছে। সমাজৰ পদদলিত অৱহেলিত হীন জাতি চণ্ডাল সকলক ঘৃণিত কুণ্ডৰ পৰা উদ্ধাৰ কৰিছে। আজি গুহক আৰু গুহকৰ বন্ধু সকলৰ অতি পবিত্র সৌভাগ্যৰ দিন। বন্ধু সকল! এবাৰ সকলোৱে উচ্চৈ স্বৰে সমস্বৰে গোৱা—

জয় ৰামচন্দ্র কি জয়।

জয় কুমাৰ ভৰত কি জয়॥

আঁৰ কাপোৰ

[ইয়াৰ পিছত ৰাম ধুন গাব]

ৰঘুপতি ৰাঘৱ ৰাজা ৰাম।
পতিত পাৱন সীতা ৰাম॥

ভাৰবীয়া

—:০:—

—মুনিহ—

দশৰথ	গুহক
ৰাম *	বৰাগী
লক্ষ্মণ	চণ্ডালবিলাক
ভৰত	প্ৰথম চণ্ডাল
সুমন্ত্ৰ	দ্বিতীয় ঐ
পূজাৰী	তৃতীয় ঐ
	চতুৰ্থ ঐ
এজন সৈনিক	

—তিৰোতা—

সীতা

সুমথিৰা

গোলাপী

---

* ৰামচন্দ্ৰৰ ভাওত দ্বিতীয় দৃশ্যত এজন লৰাই আৰু তৃতীয় দৃশ্যত আন্ এজন কিছু ওখ-ডাঙৰ লোকে অভিনয় কৰিব।